# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
**0000000000**

**Date :** 17-12-2025
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

## HEADLINES

::::::::::::::::::

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক ইথিওপিয়াৰ সৰ্বোচ্চ সন্মান **দি গ্ৰেট অ'নাৰ নিচান অৱ ইথিওপিয়াৰে** সন্মানিত কৰা হৈছে।

২। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আজি তামিলনাডুৰ ভেল্লুৰলৈ যাব।

৩। বিশ্ব স্বাস্থ্য সংস্থাৰ পৰম্পৰাগত ঔষধ বিষয়ক দ্বিতীয়খন বিশ্ব শীৰ্ষ সন্মিলন আজি নতুন দিল্লীত আৰম্ভ হৈছে।

৪। ভাৰতত থকা আমেৰিকা যুক্তৰাষ্ট্ৰৰ দূতাবাসে ভাৰত আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ প্ৰতি দেশখনৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পৰ শলাগ যাচিছে। ***আৰু***

৫। ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ পাঁচখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ চতুৰ্থখন খেল আজি লক্ষ্ণৌত অনুষ্ঠিত হ'ব।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক ইথিওপিয়াৰ সৰ্বোচ্চ সন্মান **দি গ্ৰেট অ'নাৰ নিচান অৱ ইথিওপিয়াৰে** সন্মানিত কৰা হৈছে। ইথিওপিয়াৰ প্ৰধানমন্ত্ৰী ড০ আবি আহমেদ আলীয়ে শ্ৰীমোদীক এই সন্মান প্ৰদান কৰে। দেশখনৰ ৰাজধানী এদ্দিছ আবাবাত থকা এদ্দিছ ইণ্টাৰনেচনেল কনভেনচন চেণ্টাৰত আয়োজিত এটা বিশেষ অনুষ্ঠানত প্ৰধানমন্ত্ৰীগৰাকীক এই সন্মানেৰে বিভূষিত কৰা হয়। বিশ্বনেতা হিচাপে দূৰদৰ্শী নেতৃত্ব আৰু ভাৰত-ইথিওপিয়াৰ সম্পৰ্ক শক্তিশালী কৰি তুলিবলৈ গ্ৰহণ কৰা ব্যতিক্ৰমী ভূমিকাৰ বাবে শ্ৰীমোদীক এই সন্মান প্ৰদান কৰা হয়। প্ৰধানমন্ত্ৰীগৰাকী সম্প্ৰতি দুদিনীয়া ভ্ৰমণসূচীৰে দেশখনত আছে।

অনুষ্ঠানত অংশগ্ৰহণ কৰি প্ৰধানমন্ত্ৰী শ্ৰীমোদীয়ে বিশ্বৰ অন্যতম প্ৰাচীন সভ্যতাৰ পৰিচয় দাঙি ধৰা ইথিওপিয়াৰ পৰা এই বঁটা গ্ৰহণ কৰাটো তেওঁৰ বাবে সন্মানৰ বিষয় হিচাপে উল্লেখ কৰে। এহেজাৰ ৪০০ কোটি ভাৰতীয়ৰ হৈ এই সন্মান গ্ৰহণ কৰি তেওঁ ইয়াৰ বাবে দেশখনৰ প্ৰতি কৃতজ্ঞতা জ্ঞাপন কৰে। উভয় দেশৰ দ্বিপাক্ষিক সম্পৰ্ক বছৰ বছৰ ধৰি ৰক্ষা কৰা ভাৰত আৰু ইথিওপিয়াৰ জনসাধাৰণলৈ বুলি প্ৰধানমন্ত্ৰীগৰাকীয়ে এই সন্মান উৎসৰ্গা কৰে।

ইয়াৰ পূৰ্বে এদ্দিছ আবাবাত দুয়োগৰাকী প্ৰধানমন্ত্ৰীয়ে বিভিন্ন দিশ সামৰি কৰা আলোচনাত উভয় দেশৰ মাজৰ সম্পৰ্কক কৌশলগত সম্পৰ্কলৈ উন্নীত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। আলোচনাত দুয়ো দেশে তিনিখন বুজাবুজিৰ চুক্তিটো স্বাক্ষৰ কৰে। এই আপাহতে প্ৰধানমন্ত্ৰী শ্ৰীমোদীয়ে পেহেলগামত সংঘটিত সন্ত্ৰাসবাদীৰ আক্ৰমণৰ ঘটনাৰ পাছত ভাৰতৰ সৈতে থিয় দিয়াৰ লগতে সন্ত্ৰাসবাদৰ বিৰুদ্ধে আন্তঃৰাষ্ট্ৰীয় যুদ্ধক শক্তিশালী কৰি তোলাৰ বাবে দেশখনক ধন্যবাদ জ্ঞাপন কৰে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি বিয়লি তিনিখনীয়া দেশ ভ্ৰমণৰ অন্তিম পৰ্যায়ত ওমানত উপস্থিত হ'ব। ওমানৰ মুৰববী ছুলতান হাইথাম বিন তাৰিকৰ আমন্ত্ৰণমৰ্মে প্ৰধানমন্ত্ৰীগৰাকী দেশখনলৈ যাব। ভ্ৰমণকালত প্ৰধানমন্ত্ৰীগৰাকীক এটা উচ্চ পৰ্যায়ৰ প্ৰতিনিধি দলে সংগ দিব। এই দুদিনীয়া ভ্ৰমণত উভয় দেশে সৰ্বাত্মক অৰ্থনৈতিক সহযোগিতা চুক্তিত স্বাক্ষৰ কৰাৰ আশা কৰা হৈছে। আকাশবাণীৰ সৈতে হোৱা আছুতীয়া সাক্ষাৎকাৰত দেশখনত থকা ভাৰতৰ ৰাষ্ট্ৰদূত জি ভি শ্ৰীনিবাসে কয়, যে এই ভ্ৰমণকালত অন্যান্য ভালেকেইখন বুজাবুজিৰ চুক্তিও স্বাক্ষৰ হোৱাৰ কথা আছে।

০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আজি তামিলনাডুৰ ভেল্লুৰলৈ যাব। তাত ৰাষ্ট্ৰপতিগৰাকীয়ে শ্ৰীপুৰম গ'ল্ডেন মন্দিৰত পূজা-অৰ্চনা আগবঢ়াব। ৰাষ্ট্ৰপতিগৰাকীয়ে মন্দিৰৰ পৰিসৰত ধ্যানৰ বাবে বিশেষ ঠাই মুকলি কৰাৰ লগতে এটা গছপুলিও ৰোপণ কৰিব। ৰাজ্যখনৰ ৰাজ্যপাল আৰ এন ৰবি আৰু কেন্দ্ৰীয় তথ্য আৰু সম্প্ৰচাৰ ৰাজ্যমন্ত্ৰী ড০ এল মুৰুগানে ভেল্লুৰত ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুক আদৰণি জনাব। কৰ্ণাটক, তামিলনাডু আৰু তেলেংগানাত কালিৰে পৰা অহা ২২ ডিচেম্বৰলৈ সপ্তাহজোৰা দাক্ষিণাত্য ভ্ৰমণৰ অংশ হিচাপে ৰাষ্ট্ৰপতিগৰাকী আজি ভেল্লুৰত উপস্থিত হ'ব।

০০০০০

বিশ্ব স্বাস্থ্য সংস্থাৰ পৰম্পৰাগত ঔষধ বিষয়ক দ্বিতীয় বিশ্ব শীৰ্ষ সন্মিলন আজি নতুন দিল্লীত আৰম্ভ হৈছে। বিশ্ব স্বাস্থ্য সংস্থা আৰু ভাৰত চৰকাৰৰ আয়ুষ মন্ত্ৰালয়ৰ যৌথ উদ্যোগত এই তিনিদিনীয়া শীৰ্ষ সন্মিলনৰ আয়োজন কৰা হৈছে।এই সন্মিলনত বিশ্বৰ বিভিন্ন দেশৰ নীতিনিৰ্ধাৰক, বিজ্ঞানী, চিকিৎসা বিশেষজ্ঞ আৰু নাগৰিক সমাজৰ প্ৰতিনিধিসকলে অংশগ্ৰহণ কৰিছে। বিশ্বজুৰি দীৰ্ঘস্থায়ী আৰু সুষম স্বাস্থ্য ব্যৱস্থা গঢ়ি তোলাৰ বাবে এক যৌথ দৃষ্টিভংগী আগবঢ়োৱাই এই শীৰ্ষ সন্মিলনৰ মুখ্য লক্ষ্য। “সামঞ্জস্য পুনৰুদ্ধাৰঃ বিজ্ঞান, স্বাস্থ্য আৰু কল্যাণৰ অনুশীলন” শীৰ্ষক ভাবধাৰাৰে এই শীৰ্ষ সন্মিলনখন আয়োজন কৰা হৈছে। ২০২৩ চনত গুজৰাটৰ গান্ধীনগৰত অনুষ্ঠিত প্ৰথম শীৰ্ষ সন্মিলনৰ পৰা লাভ কৰা অগ্ৰগতিৰ ওপৰত ভিত্তি কৰি, নতুন দিল্লীত অনুষ্ঠিত এইবাৰৰ সংস্কৰণে আন্তঃৰাষ্ট্ৰীয় স্বাস্থ্য সেৱা ক্ষেত্ৰত পৰম্পৰাগত চিকিৎসা ব্যৱস্থাক অধিক গুৰুত্বসহকাৰে স্থান দিয়াৰ দিশত এক গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে বিবেচিত হৈছে। এই শীৰ্ষ সন্মিলনত পৰম্পৰাগত চিকিৎসা ব্যৱস্থাই কেনেদৰে ব্যক্তিকেন্দ্ৰিক স্বাস্থ্য সেৱা আৰু বিশ্বৰ সামগ্ৰিক কল্যাণত অৰ্থপূৰ্ণ অৱদান আগবঢ়াব পাৰে, সেই বিষয়ে আলোচনা কৰা হ'ব। এই তিনিদিনীয়া শীৰ্ষ সন্মিলনৰ সময়ছোৱাত পঁচিশটা আলোচনা পৰ্বত বিজ্ঞান, নীতি আৰু চিকিৎসা ক্ষেত্ৰৰ ১৭০জনতকৈ অধিক বিশেষজ্ঞ বক্তাই অংশগ্ৰহণ কৰিব।

০০০০০

আফগানিস্তানৰ জনস্বাস্থ্য মন্ত্ৰী মৌলবী নুৰ জালাল জালালী কালি তেওঁৰ প্ৰথমটো চৰকাৰী ভাৰত ভ্ৰমণসূচীৰে নতুন দিল্লীত উপস্থিত হয়। ভাৰতৰ সৈতে স্বাস্থ্যখণ্ডত থকা দ্বিপাক্ষিক সহযোগিতা ত্বৰান্বিত কৰাৰ লক্ষ্যৰে আলোচনাত মিলিত হ'বলৈ মন্ত্ৰীগৰাকী ভাৰতলৈ আহিছে। মন্ত্ৰীগৰাকীক ভাৰতলৈ আদৰণি জনাই বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে সামাজিক মাধ্যমৰ এটা প'ষ্টত আফগানিস্তানৰ স্বাস্থ্যখণ্ডত থকা ভাৰতৰ দীঘলীয়া সমৰ্থনৰ বিষয়ে প্ৰকাশ কৰে। স্বাস্থ্যখণ্ডত উভয় দেশৰ মাজত থকা দ্বিপাক্ষিক সহযোগিতা অধিক শক্তিশালী কৰাৰ বিষয়ে আলোচনা কৰিবলৈ ভাৰত আগ্ৰহী বুলিও মন্ত্ৰালয়ে সামাজিক মাধ্যমৰ জৰিয়তে

প্ৰকাশ কৰে। ভাৰতে আফগানিস্তানৰ জনসাধাৰণৰ সহায় হোৱাকৈ দেশখনৰ স্বাস্থ্য আন্তঃগাঁথনিলৈ ইতিমধ্যে বিভিন্ন অৱদান আগবঢ়াইছে।

চলিত মাহৰ আৰম্ভণিতে ভাৰতে কাবুললৈ ইনফ্লুয়েঞ্জা আৰু মেনিনজাইটিছৰ চিকিৎসাৰ বাবে প্ৰতিষেধকৰ ৬৩ হাজাৰ ৭৩৪টা পালি আগবঢ়াইছে। বিগত ২৮ নৱেম্বৰত ভাৰতে আফগানিস্তানৰ স্বাস্থ্যখণ্ডৰ প্ৰয়োজন পূৰণ কৰিবলৈ ৭৩ টন চিকিৎসা সামগ্ৰী প্ৰেৰণ কৰিছিল। আফগানিস্তানৰ জনস্বাস্থ্য মন্ত্ৰীগৰাকীৰ এই ভ্ৰমণ হৈছে ভাৰতলৈ দেশখনৰ পৰা মন্ত্ৰী পৰ্যায়ৰ তৃতীয়টো ভ্ৰমণ। যোৱা ২০ নৱেম্বৰত আফগানিস্তানৰ উদ্যোগ আৰু বাণিজ্য মন্ত্ৰী আলহাজ নুৰুদ্দিন আজিজি নতুন দিল্লীত উপস্থিত হৈছিল আৰু বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰৰ সৈতে বৈঠকত মিলিত হৈছিল।

০০০০০

ভাৰতত থকা আমেৰিকা যুক্তৰাষ্ট্ৰৰ দূতাবাসে ভাৰত আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ প্ৰতি দেশখনৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পৰ শলাগ যাচিছে। ৰাষ্ট্ৰপতিগৰাকীয়ে ভাৰতক পৃথিৱীৰ অন্যতম পুৰণি সভ্যতা বুলি কোৱাৰ বিষয়ে সামাজিক মাধ্যমৰ এটা প'ষ্টত দূতাবাসে প্ৰকাশ কৰে। শ্ৰীট্ৰাম্পে ভাৰতক এখন বিস্ময়কৰ দেশ আৰু ভাৰত প্ৰশান্ত মহাসাগৰীয় অঞ্চলত আমেৰিকা যুক্তৰাষ্ট্ৰৰ বাবে গুৰুত্বপূৰ্ণ কৌশলগত অংশীদাৰৰূপে অভিহিত কৰে। ৰাষ্ট্ৰপতিগৰাকীয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক আমেৰিকা যুক্তৰাষ্ট্ৰৰ ভাল বন্ধু বুলিও প্ৰকাশ কৰে।

০০০০০

ভাৰতীয় জনতা পাৰ্টিৰ ৰাষ্ট্ৰীয় কাৰ্যকৰী সভাপতি নীতিন নবীন কালি নতুন দিল্লীত কেন্দ্ৰীয় মন্ত্ৰীসকল আৰু দলটোৰ জ্যেষ্ঠ নেতৃবৃন্দৰ সৈতে এখন বৈঠকত মিলিত হয়। বৈঠকত দলৰ জ্যেষ্ঠ সদস্য লালকৃষ্ণ আদৱানী, কেন্দ্ৰীয় মন্ত্ৰী অমিত শ্বাহ, নীতিন গাডকাৰী আৰু ভূপেন্দৰ যাদৱো উপস্থিত আছিল।

০০০০০

ভাৰত চৰকাৰৰ ইলেক্ট্ৰনিক্স আৰু তথ্য প্ৰযুক্তি মন্ত্ৰালয়ৰ অধীনস্থ ভাৰত কৃত্ৰিম বুদ্ধিমত্তা অভিযানৰ জৰিয়তে কৃষি ক্ষেত্ৰত কৃত্ৰিম বুদ্ধিমত্তাৰ বাস্তৱ প্ৰয়োগৰ ওপৰত এখন সংকলন প্ৰস্তুত কৰাৰ বাবে বিশ্বজুৰি প্ৰস্তাৱৰ আহ্বান জনোৱা হৈছে। মন্ত্ৰালয়ে মহাৰাষ্ট্ৰ চৰকাৰৰ কৃত্ৰিম বুদ্ধিমত্তা আৰু কৃষি প্ৰযুক্তি উদ্ভাৱন কেন্দ্ৰৰ সহযোগত এই পদক্ষেপ গ্ৰহণ কৰিছে। বিশ্ব বেংক আৰু কিছুমান ব্যক্তিগত প্ৰতিষ্ঠানে এই অভিযানক সমৰ্থন আগবঢ়াইছে। মন্ত্ৰালয়ে বিবৃতিযোগে জনাইছে যে এই সংকলনৰ জৰিয়তে শস্য পৰিকল্পনা উন্নত কৰা, কৃষি কাৰ্য অধিক শক্তিশালী কৰা, বজাৰ সংযোগ বিস্তাৰ কৰা আৰু কৃষকৰ আৰ্থিক স্থিতিশীলতা বৃদ্ধিত সহায়ক হোৱা কৃত্ৰিম বুদ্ধিমত্তাভিত্তিক ব্যৱহাৰিক সমাধানসমূহ নথিভুক্ত কৰাৰ লক্ষ্য লোৱা হৈছে। এই সংকলনে উদ্ভাৱক, গৱেষক আৰু কৃষকসকলক কৃষি ক্ষেত্ৰত ব্যৱহৃত কৃত্ৰিম বুদ্ধিমত্তাৰ উপায়সমূহ উপস্থাপন কৰাৰ সুযোগ প্ৰদান কৰিব বুলি আশা কৰা হৈছে।

০০০০০

ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ পাঁচখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ চতুৰ্থখন খেল আজি লক্ষ্ণৌৰ ভাৰতৰত্ন শ্ৰীঅটল বিহাৰী বাজপেয়ী একানা ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত হ'ব। ভাৰতীয় সময় অনুসৰি খেলখন সন্ধিয়া ৭ বজাত আৰম্ভ হ'ব।

ভাৰত সম্প্ৰতি ২-১ ফলাফলেৰে শৃংখলাত আগবাঢ়ি আছে। আজিৰ খেলখনত বিজয় সাব্যস্ত কৰিব পাৰিলেই ভাৰতে শৃংখলা হস্তগত কৰাটো নিশ্চিত হ'ব। শৃংখলাৰ পঞ্চম তথা অন্তিমখন খেল অহা শুকুৰবাৰে আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত অনুষ্ঠিত হ'ব।

ইপিনে, অসুস্থতাৰ পৰিপ্ৰেক্ষিতত অলৰাউণ্ডাৰ অক্ষৰ পেটেলক শৃংখলাৰ পৰৱৰ্তী দুখন খেলৰ বাবে দলৰ পৰা বাদ দিয়া হৈছে। ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ পৰিষদৰ পুৰুষৰ নিৰ্বাচক কমিটীয়ে খেলুৱৈগৰাকীৰ ঠাইত শ্বাহবাজ আহমেদক দলত অন্তৰ্ভুক্ত কৰাৰ বিষয়ে ঘোষণা কৰিছে।

০০০০০

২০২৬ চনত হ'বলগীয়া পুৰুষৰ আই চি চি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ট্ৰফীৰ ভ্ৰমণ কালি আৰম্ভ হয়। প্ৰতিযোগিতাৰ দুই সহ আয়োজক ৰাষ্ট্ৰ ভাৰত আৰু শ্ৰীলংকাৰ সম্পৰ্কৰ প্ৰতীক হিচাপে গণ্য কৰা ৰামসেতুত এই ভ্ৰমণ মুকলি কৰা হয়। প্ৰতিযোগিতাখনৰ এই দশম সংস্কৰণত ২০টা দলে অংশ ল'ব। প্ৰতিযোগিতাৰ খেলসমূহ ভাৰতৰ পাঁচখন আৰু শ্ৰীলংকাৰ তিনিখন ষ্টেডিয়ামত খেলোৱা হ'ব। ২৯ দিনীয়া এই প্ৰতিযোগিতাখন অহা ৭ ফেব্ৰুৱাৰীৰ পৰা ৮ মাৰ্চলৈ চলিব। কালি মুকলি কৰা এই ট্ৰফী ভ্ৰমণে ভাৰতৰ লগতে শ্ৰীলংকা, কাটাৰ, ওমান, নেপাল, বাহৰেইন আৰু মংগোলীয়াক সামৰি ল'ব। প্ৰতিযোগিতাখন আৰম্ভ হোৱাৰ পূৰ্বে এই ভ্ৰমণে কোটি কোটি ক্ৰিকেট প্ৰেমীক ট্ৰফীটো ওচৰৰ পৰা প্ৰত্যক্ষ কৰাৰ সুযোগ দিব। প্ৰতিযোগিতাৰ খেলসমূহৰ বাবে ভাৰতৰ নিৰ্ধাৰিত ষ্টেডিয়ামকেইখন হ'ল- আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়াম, চেন্নাইৰ এম এ চিদাম্বৰম ষ্টেডিয়াম, নতুন দিল্লীৰ অৰুণ জেটলি ষ্টেডিয়াম, কলকাতাৰ ইডেন গাৰ্ডেনছ আৰু মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়াম। একেদৰে কলম্বোৰ আৰ প্ৰেমদাছা ষ্টেডিয়াম আৰু সিংহলীজ স্পৰ্টছ ক্লাব ক্ৰিকেট গ্ৰাউণ্ডৰ লগতে কেণ্ডিৰ পাল্লেকেলে আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামক প্ৰতিযোগিতাৰ শ্ৰীলংকাত হ'বলগীয়া খেলসমূহৰ বাবে বাছি উলিওৱা হৈছে।

০০০০০

সমাপ্ত